পাঠ ১৪


# মৰমৰ আই

কোনে মোক তুলি-তালি কৰিলে ডাঙৰ
মউসনা মিঠা মাতে পাহৰি ভাগৰ;
কৰিছিল স্নেহ মোক দুগালত চুমা খাই
—তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।



চেনেহৰ চকুপানী ধাৰেৰে বোৱাই,
কোনে মোক ৰাখিছিল বুকুত শুৱাই;
টোপনিত লালকাল মুখখনি চাই
—তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।

কান্দিছিলোঁ যেবে নৰিয়াত দুখ পাই ;
একেথিৰে কোনে মোৰ মুখলই চাই,
মৰোঁ বুলি কান্দিছিল কাঢ়ি হুমুনিয়া
—তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।



হইছিলোঁ থিয় যেৱে অ'ত ত'ত ধৰি
পৰিলেনো কোনে গই ততালিকে লৰি;
নিচুকাইছিল মোক নাম গুণ গাই
—তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।

মোৰ প্ৰতি এনে যাৰ মৰম অসীম
কেনেকই সিজনাক মই পাহৰিম?
চেনেহ ভকতি মোৰ বাঢ়োক সদায়
তযু চৰণত হেৰা মৰমৰ আই।

*(কবি - আনন্দচন্দ্ৰ আগৰৱালা, সংগ্ৰহ- 'মৰুৱা ফুল', সম্পাদনা - নৱকান্ত বৰুৱা, পৃষ্ঠা - ৬৫)*

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্রিয়া

**পদ্যটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

**দলত ভাগ হৈ ক্রম অনুসৰি পদ্যটিৰ একোটিকৈ দফা আবৃত্তি কৰোঁ আহা**

**উত্তৰ দিয়া।**

(ক) (১) 'মৰমৰ আই' পদ্যটিৰ কবিগৰাকীৰ নাম কি?

(২) কোনে আমাক তুলি-তালি ডাঙৰ দীঘল কৰে?

(৩) আইৰ মাতটো কেনেকুৱা?

(৪) "মোৰ প্রতি এনে যাৰ মৰম অসীম"— 'যাৰ' বুলি কাক কোৱা হৈছে?

(খ) (১) কি কি কাৰণত আই আমাৰ অতি পূজনীয়া?

(২) আয়ে কেনেদৰে আমাক নিচুকাইছিল?

(৩) নৰিয়া হ'লে আয়ে কি কি কৰে?

**বাক্য সাজা।**

মৰম- ..........................................................................................

তুলি-তালি - ..............................................................................

পূজনীয়া - ..................................................................................

চেনেহ - .......................................................................................

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্রীৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)




**শব্দবোৰ পঢ়া। অমিল থকা যুক্তাক্ষৰ শব্দটো বাছি কাষৰ ঘৰত লিখা।**

- গ্ৰহ, উগ্ৰ, ভদ্ৰ, গ্ৰাম ☐
- সত্য, খাদ্য, অমাত্য, নিত্য ☐
- কষ্ট, নষ্ট, সস্তা, দুষ্ট ☐
- যুগ্ম, গুল্ম, অযুগ্ম, বাগ্মী ☐





**তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ পদ্যটিত আছে। বিচাৰি উলিয়াই লিখা।**

**উদাহৰণ— ডাঙৰ — সৰু**

পলম ☐

তিতা ☐

পিতা ☐

হঁহা ☐

সুখ ☐



জানি থোৱা — হুমুনিয়া আৰু হুমুনিয়াহ দুয়োটা ৰূপেই শুদ্ধ। মউ, মুখলই, হইছিলোঁ, গই, কেনেকই আদি ৰূপ কবিতাটোত ছন্দ মিলাবৰ বাবে দিছে। প্ৰকৃত বানান হ'ব মৌ, মুখলৈ, হৈছিলোঁ, গৈ, কেনেকৈ।

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

**শব্দৰ খেল— দলত আলোচনা কৰি প্ৰথম আখৰটোৰে আৰম্ভ হোৱা শব্দ লিখা।**

**উদাহৰণ—** মৰম — মলম | মটৰ | মকৰা

| | | | |
|---|---|---|---|
| কলম — | | | |
| পদুম — | | | |
| গজালি — | | | |
| লতা — | | | |

## গ — জ্ঞান সম্প্ৰসাৰণ

**'মৰমৰ আই' পদ্যটিৰ কবিগৰাকীৰ বিষয়ে জানি লোৱা**

**কবি আনন্দ চন্দ্ৰ আগৰৱালা**

| | | |
|---|---|---|
| জন্ম | — | ১৮৭৪ চনৰ ৫ ছেপ্তেম্বৰ |
| জন্মস্থান | — | তেজপুৰৰ কলংপুৰ মৌজাৰ বৰঙাবাৰীত |
| পিতৃ | — | কাশীৰাম আগৰৱালা |
| মাতৃ | — | ৰাধিকা আগৰৱালা |
| কবিতাপুথি | — | জিলিকনি |
| শিশু পুথি | — | কোমলপাঠ, আদি পাঠ |

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

 ভাবা আৰু কোৱা।



- নৰিয়া হ'লে মাকে আল্-পৈচান ধৰে বুলি পদ্যটোত পাইছা। তোমাৰ নৰিয়া হ'লে কোনে কোনে তোমাৰ আল্-পৈচান ধৰে?
- কোন কোন তোমাৰ মৰমৰ? তেওঁলোকক তোমাৰ কিয় মৰম লাগে?

- মাকৰ সীমাহীন মৰমৰ বাবে কবিয়ে চেনেহ ভকতি বঢ়াৰ কথা কৈছে। তুমি তোমাৰ অভিভাৱক আৰু শিক্ষকৰ বাবে কি কি কৰিম বুলি ভাবিছা?

 নিচুকনি গীত গাওঁ আহা





হুৰে কাণখোৱা নাহিবি ৰাতি
তোৰে কাণ কাটি লগামে বাতি,
ছাতি নুমাল বাতি নুমাল
বাপাই দেখে আন্ধাৰ,
দুৱাৰ মুখত বহি আছে
ভকোমুলুৱা বান্দাৰ।

পঢ়োঁ আহা



পিতৃ-মাতৃক আমি সদায় শ্ৰদ্ধা আৰু ভক্তি কৰিব লাগে। পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি দেখুওৱা পুৰণি কাহিনী এটি পঢ়ি জানো আহা।

এসময়ত শ্ৰৱণ নামৰ এজন ল'ৰা আছিল। তেওঁৰ মাক-দেউতাক অন্ধ আছিল। এবাৰ শ্ৰৱণে অন্ধ মাক-দেউতাকক পাচিত বহুৱাই ভাৰ বান্ধি তীৰ্থলৈ লৈ গৈছিল। এই কামত শ্ৰৱণৰ অশেষ কষ্ট হৈছিল। কিন্তু মাক-দেউতাকৰ বাবে এনেকুৱা কষ্ট কৰিবলৈ পাই তেওঁ বৰ সুখী হৈছিল।

## ঘ — প্ৰকল্প

- স্থান বিশেষে আমি আইক আই, মা, আম্মা, বৌটি, মাই আদিৰে সম্বোধন কৰি মাতোঁ। তোমালোকৰ ঠাইত আইক কোনে কি সম্বোধনেৰে মাতে জানি লৈ লিখা।

- আই, মা, জননীক লৈ ৰচনা কৰা পদ্য/কবিতা/গান সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰা।

- কেঁচুৱাক উমলিবলৈ দিয়া সামগ্ৰীবোৰৰ তালিকা কৰা।

*প্ৰকল্পৰ কামত প্ৰয়োজন অনুসৰি সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*